## ল'কডাউনৰ ইতিবাচক দিশ

২০২০ চনৰ মাৰ্চ মাহৰ পৰা আমাৰ দেশতো কৰ'না মহামাৰীয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰিলে। ক'ভিডত আক্ৰান্ত হৈ বহুজনৰ অকালতে মৃত্যু হ'ল। পাছত ২০২০ চনৰ শেষৰ তিনিমাহ আৰু ২০২১ চনৰ প্ৰথম দুটা মাহত ক'ৰনাৰ প্ৰকোপ কিছু কমিল যদিও এই মহামাৰীৰ দ্বিতীয় লহৰে পুনৰ বিভীষিকাৰ সৃষ্টি কৰি আতংক নমাই আনিলে। বৰ্তমানেও দেশত বহু লোক ক'ৰনাত আক্ৰান্ত হৈ আছে আৰু বহুতে অকালতে নিজৰ জীৱন হেৰুৱাবলগীয়া হোৱাটো অতিকৈ মৰ্মান্তিক। সেয়েহে আমি সকলোৱে অতি সাৱধানতা আৰু সচেতনতা অৱলম্বন কৰি আৰু নিৰ্দিষ্ট নিয়মসমূহ পালন কৰি নিজৰ লগতে সমাজখনকো ক'ৰনাৰ পৰা মুক্ত হোৱাত সহায় কৰাটো আমাৰ সকলোৰে নৈতিক দায়িত্ব।

বিভীষিকাপূৰ্ণ এই সময়ত আমি বহুতো মহান পুৰুষৰ লগতে সৃষ্টিৰ সম্ভাৱনাৰে পৰিপূৰ্ণ বহুতো উদীয়মান প্ৰতিভা বহনকাৰীকো চিৰদিনলৈ হেৰুৱাবলগীয়া হ'ল। এই সংকটৰ সময়ত অবাঞ্ছিতভাৱে অহা লকডাউন তথা বন্ধৰ ফলত বিভিন্নজনৰ জীৱিকা, ব্যৱসায়-বাণিজ্য, দেশৰ অৰ্থনীতি, শিক্ষা ব্যৱস্থা আদিক কিদৰে কোঙা কৰি পেলালে সেয়া সকলোৱে দেখিছোঁ। তথাপি এই সময়ত আমি শাৰীৰিক আৰু মানসিকভাৱে সুস্থ হৈ থকাটো অতিকৈ প্ৰয়োজন। দেখা গৈছে সময়ৰ এই কুটিল গৰাহত বহু লোকে আৰ্তজনৰ প্ৰতি সহায়ৰ হাত আগবঢ়াইছে। ই মানৱীয়তাৰ সুন্দৰ ইতিবাচক দিশ। কাৰণ যি সময়ত কেৱল হিংসা, বিদ্বেষ, অসূয়া অপ্ৰীতিৰ এখন ছবি আমি দেখি আছিলোঁ তেনে সময়তে দুখীয়াজনৰ প্ৰতি সমবেদনা জনাবলৈ মানুহৰ মনলৈ অহা সুবুদ্ধিয়ে সমাজখনলৈ ইতিবাচক দিশ কঢ়িয়াই আনিছে।

বহু ব্যক্তিৰ মাজত কিছুমান প্ৰতিভা লুকাই থাকে। যিবোৰ কিছুমানৰ ক্ষেত্ৰত কৰ্মব্যস্ততাৰ বাবে লুপ্ত হৈ আছিল। কিন্তু এতিয়া সকলো যেতিয়া ঘৰতে আছে সেই প্ৰতিভাৱান ব্যক্তিসকলে নিজৰ প্ৰতিভাসমূহ চৰ্চা কৰি বিকাশ কৰাৰ সুবিধা পাইছে। কোনোৱে যদি সাহিত্যৰ চৰ্চাৰে গল্প-কবিতা, প্ৰবন্ধ লিখিছে আকৌ কোনোবাজনে গীত-মাত, নৃত্যৰ দ্বাৰা নিজৰ সুকুমাৰ কলাৰ বিকাশৰ সুবিধা পাইছে। সেইবোৰ ছ'ছিয়েল মিডিয়াত আমি প্ৰচাৰ হোৱা দেখিছোঁ। ঘৰুৱা কাম-বনত কুটা এগছিও নকৰা মানুহ কিছুমানেও এৰাবাৰী হৈ পৰি থকা চৌহদৰ মাটিডোখৰতে জলকীয়া, বেঙেনা, পাচলি আদি কৰা দেখা গৈছে। যাৰ ফলত মানুহে মানসিক প্ৰশান্তি লাভ কৰাৰ লগতে শাৰীৰিক উৎকৰ্ষও সাধন কৰিব পাৰিছে। দেখা গৈছে ক'ৰনা মহামাৰীৰ পৰা ৰক্ষা পাবলৈ বহুতে যোগাসন, প্ৰাণায়াম আৰু বিভিন্ন শাৰীৰিক ব্যায়াম আদিৰ সদ অভ্যাস গঢ়ি তুলিছে।

সময় গতিশীল। দুটাকৈ বছৰ স্তব্ধ হৈ যোৱাটো এখন বিশ্বৰ বাবে কিমান ভয়ংকৰ সেয়া আমি সকলোৱে জানো। কিন্তু আমি নিয়তিৰ দাস। নিয়তিয়ে আমাক ৰুদ্ধ কৰি ৰাখিছে যেতিয়া আমিনো কি কৰিব পাৰোঁ! মাথোন চৰকাৰ আৰু চিকিৎসা বিশেষজ্ঞসকলে বান্ধি দিয়া নীতি-নিয়মসমূহ পালন কৰি নিজৰ মন আৰু শৰীৰক সুস্থ-সবল কৰি ৰখাটো অতি প্ৰয়োজন। আমি সকলোৱে সজাগ আৰু সচেতন হৈ সময় আৰু পৰিস্থিতিৰ লগত মোকাবিলা কৰি আগুৱাই যাব লাগিব। কেৱল ইয়াৰ নেতিবাচক দিশবোৰকে আঙুলিয়াই নাথাকি নিয়তিৰ পৰিহাসক মানি লৈ সময়ে চলাই নিয়া আমাৰ জীৱনটোৰ 'ইতিবাচক' দিশবোৰ অনুধাৱন কৰি অনাগত দিনবোৰৰ বাবে নিজকে সুস্থ-সবল কৰি ৰাখিব পাৰিব লাগিব।

**গীতাঞ্জলি নাথ,**
চাংসাৰি, কামৰূপ, ফোন ঃ ৮১৩৫০২৩২৪২

## শিক্ষা আজি কোন দিশে?

বৰ্তমান সময়ত শিক্ষাই কোন দিশে গতি কৰিছে আমি ভাবি চাইছোঁনে? নিৰ্বাচন ডাঙৰ নে শিক্ষাৰ্থীৰ ভৱিষ্যৎ? নিৰ্বাচনৰ কাৰণে পৰীক্ষা পিছুৱাই দিয়াৰ কথাটো কোনো কাৰণতে সঠিক বুলি মই নাভাবোঁ। যিহেতু শিক্ষাৰ্থীৰ বয়স ৰৈ নাথাকে, গতিকে আমাৰ জীৱনক লৈ হেমাহি কৰাৰ কাৰণ কি মই বুজি নাপাওঁ! এটা শিক্ষাবৰ্ষ নষ্ট হোৱা মানে কিমান লোকচান সেইটো বুজা উচিত। কিন্তু তাৰ পৰিৱৰ্তে সাম্প্ৰতিক সময়বোৰত শিক্ষাবৰ্ষতকৈ নিৰ্বাচনহে তুংগত উঠা দেখা গৈছিল। বৰ্তমানৰ ছাত্ৰ যে দেশৰ ভৱিষ্যৎ তাক পাহৰা উচিত নহয়। নিৰ্বাচনৰ সময়বোৰত ৰাস্তাইদি প্ৰচাৰ চলাই যোৱা গাড়ীবোৰে এখন বিদ্যালয় বা মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশত যে কিমান বিৰূপ প্ৰভাৱ পেলাইছিল তথা পাঠদানতো অসুবিধাৰ সৃষ্টি কৰিছিল, সেই সম্পৰ্কত এবাৰ ভাবি চোৱা উচিত আছিল। নিজৰ কৰ্তব্য সঠিককৈ পালন কৰি গ'লে নিজৰ প্ৰাপ্য পোৱাটো নিশ্চিত। তাকে নকৰি লাউড স্পিকাৰত গান বজাই নিৰ্বাচনী প্ৰচাৰ কৰি পঢ়া-শুনাত অসুবিধাৰ সৃষ্টি কৰাৰ কাৰণ কি আছিল? এই সকলোৰে পৰিণামৰ ভুক্তভোগী যিহেতু আমিহে, গতিকে আমাৰ জীৱনক লৈ কিয় খেলা কৰে? ক'ভিডৰ এই দুৰ্দান্ত সময়ত প্ৰচলিত অনলাইন পাঠদান কাৰ্য কিমান দূৰ সফল? এই অনলাইন পাঠদান ব্যৱস্থা শ্ৰেণীকোঠাৰ দৰে শৈক্ষিক পৰিৱেশ সৃষ্টি কৰাত কিমান দূৰ সক্ষম? ডাঙৰ শিক্ষাৰ্থীৰ কথা বাদেই দিছোঁ; তেওঁলোকৰ নিজস্ব চিন্তাশক্তি আছে, কিন্তু কণ-কণ ছাত্ৰ-ছাত্ৰীসকলৰ মনত এই অনলাইন পাঠদানে পঢ়াৰ প্ৰতি অনীহাৰ সৃষ্টি কৰিছে। এনে পৰিস্থিতিত বৰ্তমান একাগ্ৰতাৰে ছাত্ৰ জীৱন গঢ়ি তোলাটো কিমান দূৰ সম্ভৱ হ'ব পাৰে সেইটো চিন্তনীয় বিষয় হৈ পৰিছে। প্ৰতিযোগিতামূলক শিক্ষাৰ এই যুগত অনলাইনযোগে লাভ কৰা নম্বৰৰ গ্ৰহণযোগ্যতা ভৱিষ্যতে কিমান হ'ব সেইটোও সঠিককৈ কোৱা টান। শিক্ষাব্যৱস্থাত যিমান গুৰুত্ব দিব লাগে সিমান দিয়া হোৱা নাই। বৰ্তমান শিক্ষাব্যৱস্থা আৰু আমাৰ জীৱন অনিশ্চয়তাৰ বান্ধোনত বান্ধ খাই ৰৈছে।

**কংকনা দাধৰা,**
স্নাতক তৃতীয় ষাণ্মাসিক, অসমীয়া বিভাগ,
নগাঁও মহাবিদ্যালয়, নগাঁও,
ফোন ঃ ৯৮৬৪২৫৯৩০৯

## যাদৱ পায়েং

প্ৰয়াত ভীম বৰুৱা ছাৰ, তদানীন্তন জিলা (ডিব্ৰুগড়) উপায়ুক্ত, বন বিভাগৰ বিয়াগোম বিষয়াৰ সৈতে 'বিশ্ব পৰিৱেশ দিৱস'ৰ দিনা আমিও বিদ্যালয়ৰ ছাত্ৰসকলক লগত লৈ ব্ৰহ্মপুত্ৰৰ এটা চাপৰিত হাজাৰৰ হিচাপত গছপুলি ৰুইছিলোঁ। কিন্তু আমাৰ সন্দেহ সত্য প্ৰমাণিত হৈ সেই চাপৰিটো এদিন ব্ৰহ্মপুত্ৰৰ বুকুত বিলীন হৈ পৰিল। কেৱল গছপুলি ৰুলেই যে নহয় তাৰবাবে ৰক্ষণাবেক্ষণ বা প্ৰতিৰক্ষাৰো ব্যৱস্থা কৰিব লাগে সেয়া প্ৰমাণিত হ'ল। সেই দুখে আজিও আমাক আমনি দিয়ে।

শেহতীয়াকৈ যাদৱ পায়েঙলৈ মেক্সিকো চৰকাৰে যি সন্মান যাচিছে তাক লৈ আমি সঁচাকৈয়ে গৌৰৱবোধ কৰিছোঁ।

**দ্বীপেন্দ্ৰ নাথ কাকতী,**
চিৰিং চাপৰি, ডিব্ৰুগড়-৭৮৬০০১,
ফোন ঃ ৯৯৫৭২৩২৭২৭